## প্ৰস্তাৱনাঃ

..............................
..............................
..............................

# ধাৰা 'ক'

## অনুচ্ছেদ (১) নাম:-

১) সংগঠনৰ নাম হ'ব- "টাকাম মিচিং মিমৌ কৌবাং" চমুকৈ-"টি. এম. এম. কে"। ইংৰাজীত **TAKAM MISING MIMÉ KÉBANG (ALL MISING WOMEN ORGANISATION)** চমুকৈ - **TMMK**

২) ঠিকনাঃ- ধেমাজি, অসম।

## অনু: (২) পতাকা ও প্ৰতীক (FLAG & SYMBOL) কৌবাঙৰ নিজৰ প্ৰতীক ও নিজৰ পতাকা থাকিব।

১) পতাকাৰ আকাৰঃ- পতাকাৰ অনুপাত কেন্দ্ৰীয় কমিটিৰ ৫:৩ জিলা আৰু শাখা কমিটিৰ ৩:২ জোখৰ হ'ব।

২) বিৱৰণঃ- পতাকাৰ ৰং পাতল সেউজীয়া; ওপৰৰ অৰ্ধাংশৰ মাজত মিমৌ কৌবাঙৰ প্ৰতীক আৰু তলৰ অৰ্ধাংশত মিচিং কৃষ্টি সংস্কৃতিক প্ৰতিনিধিত্ব কৰাকৈ মিচিং 'গেৰ'ৰ প্ৰতীক থাকিব।

৩) প্ৰতীকঃ- দুখন ওপৰা উপৰিকৈ পূৰণ চিনৰ দৰে থকা য়কচা (তৰোৱাল)ৰ মাজত থাকিব উদিত সূৰ্য্য।

৪) তাৎপৰ্য্য:- 'য়কচা' (তৰোৱাল) সংগ্ৰাম আৰু ঐতিহ্যৰ প্ৰতীক। 'দঃঞিও' (সূৰ্য্য) শক্তিৰ আধাৰ; পোহৰৰ প্ৰতীক। পতাকাৰ সেউজীয়া ৰং শস্য শ্যামল প্ৰকৃতিৰ প্ৰতীক। গেৰ' ই মিচিং কৃষ্টি সংস্কৃতিক প্ৰতিনিধিত্ব কৰিব।

# ধাৰা 'খ'

## অনু: (৩) লক্ষ্য আৰু উদ্দেশ্য:-

১) সৰ্বস্তৰৰ মিচিং মহিলাসকলক সাংগঠনিকভাৱে সংঘবদ্ধ কৰা।
২) সকলোধৰণৰ জাতি-ধৰ্ম, বৰ্ণগত বঞ্চনা শোষণ নিপীড়নৰ বিৰুদ্ধে সংগ্ৰাম কৰা।
৩) সকলোধৰণৰ সামাজিক আৰু ঘৰুৱা অন্যায় অবিচাৰৰ বিৰুদ্ধে সংগ্ৰাম কৰা।
৪) সকলোধৰণৰ আত্মবিশ্বাস আৰু অযুক্তি সংগত নীতি-নিয়মৰ বিৰোধিতা কৰা আৰু নাৰীসকলক শিক্ষিত আৰু সবল কৰা।
৫) নাৰী আৰু পুৰুষৰ সমান অধিকাৰ, সমমৰ্যদাৰ বাবে সংগ্ৰাম কৰা।
৬) নাৰী সম্পৰ্কীয় বিষয়ত অন্যান্য সমভাৱাপন্ন নাৰী সংগঠনৰ লগত ঐক্যবদ্ধভাৱে কাম কৰা।
৭) মিচিং সমাজৰ ভাষিক, সাংস্কৃতিক ও সামাজিক উন্নয়নৰ বাবে কাম কৰা।
৮) মিচিং জাতীয়তাৰ আত্মনিয়ন্ত্ৰণৰ সংগ্ৰামত নিজকে জড়িত কৰা আৰু তেনে সংগ্ৰামক আগুৱাই নিয়া।
৯) সকলোধৰণৰ অপসংস্কৃতিৰ বিৰুদ্ধে সংগ্ৰাম কৰা।
১০) মিচিং জাতীয়তাৰ কৃষ্টিৰ সংৰক্ষণ আৰু বিকাশৰ বাবে কাম কৰা।
১১) বিশ্বজুৰি হ'ব ধৰা নাৰী মুক্তিৰ আন্দোলনৰ সঠিক পথ নিৰ্ধাৰণ কৰি সমৰ্থন জনোৱা।
১২) সকলোধৰণৰ নাৰী নিৰ্য্যাতনৰ বিৰুদ্ধে ঐক্যবদ্ধ আন্দোলন গঢ়ি তোলা।
১৩) সকলোধৰণৰ প্ৰতিবিপ্লৱী উপাদানৰ বিৰুদ্ধে নাৰী সকলক সংগঠিত কৰা।

# ধাৰা 'গ'

**অনু: (৪) কৌবাঙৰ গঠন প্ৰণালী:- মিমৌ কৌবাঙৰ চাৰিটা সাংগঠনিক পৰ্য্যায় থাকিব।**

১) কেন্দ্ৰীয় কমিটি।
২) জিলা কমিটি।
৩) আঞ্চলিক কমিটি।
৪) গাওঁ কমিটি বা প্ৰাথমিক কমিটি।

**অনু: (৫) কেন্দ্ৰীয় কমিটি: -**

১) কেন্দ্ৰীয় কমিটি সৰ্বোচ্চ সাংগঠনিক স্তৰ হ'ব।
২) কেন্দ্ৰীয় সমিতিয়ে সংগঠনৰ মৌলিক নীতিসমূহ নিৰ্ধাৰণ কৰিব।
৩) প্ৰতি ২ বছৰৰ মূৰত অধিৱেশনৰ জৰিয়তে কেন্দ্ৰীয় সমিতি গঠন কৰা হ'ব।
৪) পৰিস্থিতি সাপেক্ষে কেন্দ্ৰীয় সমিতিয়ে এই সময়তকৈ বেছি কাম কৰিব পাৰিব।
৫) কেন্দ্ৰীয় কমিটি তলত উল্লেখ কৰা ধৰণে গঠন কৰা হ'ব।

(ক) সভানেত্ৰী - ১ গৰাকী
(খ) উপ-সভানেত্ৰী - ৪ গৰাকী
(গ) সাধাৰণ সম্পাদিকা - ১ গৰাকী
(ঘ) যুটীয়া সম্পাদিকা - ৪ গৰাকী
(ঙ) সাংস্কৃতিক সম্পাদিকা - ১ গৰাকী
(চ) আলোচনী সম্পাদিকা - ১ গৰাকী
(ছ) ক্ৰীড়া সম্পাদিকা - ১ গৰাকী
(জ) সাংগঠনিক সম্পাদিকা - ৭ গৰাকী
(ঝ) সদস্যা প্ৰতি জিলাৰ পৰা ২ গৰাকীকৈ সদস্যা অন্তৰ্ভুক্ত হ'ব।

## অনু: (৬) জিলা কমিটি:-

১) জিলা কমিটি প্ৰশাসনিক মহকুমা পৰ্য্যায়ত গঠন কৰা হ'ব।
২) জিলা কমিটি গঠন প্ৰণালী কেন্দ্ৰীয় কমিটিৰ আৰ্হিৰে গঠন কৰা হ'ব।

## অনু: (৭) আঞ্চলিক কমিটি:-

১) শাখা কমিটিসমূহ সাধাৰণতে গাঁও পঞ্চায়ত পৰ্য্যায়ত গঠন কৰা হ'ব।
২) ভৌগোলিক ও সাংগঠনিক কাৰণত কেন্দ্ৰীয় কমিটিৰ অনুমোদন সাপেক্ষে এখন গাঁও পঞ্চায়তৰ ভিতৰত একাধিক আঞ্চলিক কমিটি গঠন কৰিব পাৰিব।
৩) এনে প্ৰয়োজনীয়তা সম্পৰ্কে গঠন কৰিবলগীয়া অঞ্চলৰ প্ৰতিনিধিয়ে জিলা সমিতিৰ লগত আলোচনা কৰিব লাগিব।
৪) এই সম্পৰ্কে চূড়ান্ত সিদ্ধান্ত কেন্দ্ৰীয় কমিটিয়ে লব।

## অনু: (৮) গাঁও কমিটি বা প্ৰাথমিক কমিটি:-

১) প্ৰতি গাঁৱতে এখন গাঁও কমিটি থাকিব।
২) গাঁও কমিটি তলত দিয়া ধৰণে গঠিত হ'ব।

(ক) সভানেত্ৰী - ১ গৰাকী
(খ) উপ-সভানেত্ৰী - ৩ গৰাকী
(গ) সাধাৰণ সম্পাদিকা - ১ গৰাকী
(ঘ) যুটীয়া সম্পাদিকা - ৪ গৰাকী
(ঙ) সদস্যা - ৬ গৰাকী

## অনু: (৯) কাৰ্য্যকাল:-

১) কেন্দ্ৰীয় কমিটি, জিলা কমিটি আৰু আঞ্চলিক কমিটিসমূহৰ কাৰ্য্যকাল ৩ বছৰীয়া হ'ব।
২) গাঁও কমিটিৰ কাৰ্যকালো ৩ বছৰীয়া হ'ব।

# ধাৰা 'ঘ'

## অনু: (১০) সদস্য পদ:-

১) সংগঠনৰ কাৰ্যসূচী আৰু সংবিধান মানি লোৱা যিকোনো মিচিং নাৰীয়ে সদস্যাভূক্ত হ'ব পাৰিব।
২) সদস্যা ভৰ্তি মাচুল - ১০ টকা
৩) প্ৰত্যেক কাৰ্যকালৰ মূৰত সদস্যা নৱীকৰণ কৰা হ'ব।

## অনু: (১১) কমিটিৰ বিষয়ববীয়া সকলৰ দায়িত্ব আৰু কৰ্তব্য:-

১) সভানেত্ৰীয়ে সমিতিৰ প্ৰধান নেতৃত্ব বহন কৰিব আৰু সমিতিৰ সভাত সভানেতৃত্ব কৰিব।
২) উপ-সভানেত্ৰীয়ে সভানেত্ৰীৰ অনুপস্থিতিত সভানেত্ৰীৰ দায়িত্ব পালন কৰিব।
৩) সাধাৰণ সম্পাদিকা সংগঠনৰ সমন্বয়ৰক্ষক। তেওঁ সভানেত্ৰীৰ লগত আলোচনা কৰি সমিতিৰ সভা আহ্বান কৰিব। সম্পাদিকাৰ হাতত সমিতিৰ হিচাব-পত্ৰ আৰু ফাইল থাকিব।
৪) যুটীয়া সম্পাদিকাসকলে সাধাৰণ সম্পাদিকাক সমিতিৰ কাৰ্য্য সম্পাদনাৰ সকলো দিশতে সহায় কৰিব।

# ধাৰা 'ঙ'

## অনু: (১২) সাধাৰণ অধিৱেশন:-

১) সমিতিৰ কাৰ্যকালৰ শেষত সাধাৰণ অধিৱেশন অনুষ্ঠিত হ'ব।
২) বিশেষভাৱে অধিৱেশন আহ্বান কৰাৰ প্ৰয়োজনীয়তা অনুভৱ কৰিলে সমিতিয়ে বিশেষ অধিৱেশন আহ্বান কৰিব পাৰিব।

# ধাৰা 'ঙ'

## অনু: (১৩) সাধাৰণ সভা:-

১) সকলো শাখা গোট সমূহৰ মতামত লোৱাৰ প্ৰয়োজনীয়তা পৰিলে সাধাৰণ সভাই আহ্বান কৰিব পাৰিব।
২) সাধাৰণ সম্পাদিকাই সভানেত্ৰীৰ সৈতে আলোচনা কৰি কাৰ্যনিৰ্বাহক সভা আহ্বান কৰিব। সভাৰ ১৫ দিনৰ আগতে জাননী জাৰি কৰিব লাগিব।
৩) থুল (কোৰাম) বৈঠকত কাৰ্যকৰী সমিতিৰ এক তৃতীয়াংশ(১/৩) সদস্যা উপস্থিত থাকিলে থুল বুলি গণ্য কৰা হ'ব।
৪) কোনো সদস্যাই যদি একেলেঠাৰিকৈ তিনিখন কাৰ্যকৰী সভাত কোনো কাৰণ নোহোৱাকৈ অনুপস্থিত থাকে তেনেহলে তেওঁৰ সদস্যাপদ নাকচ কৰা হ'ব।
৫) কোনো সদস্যাই মিমৗ কৗবাঙৰ বিভিন্ন সাংগঠনিক স্তৰৰ এটাতকৈ বেছি কাৰ্যনিৰ্বাহক সভাৰ বিষয়বাব লব নোৱাৰিব।

# ধাৰা 'চ'

## অনু: (১৪) সাংগঠনিক নীতি:-

সংগঠনৰ ক্ষেত্ৰত তলত উল্লেখিত নীতিসমূহ মানি চলিব লাগিব:-

১) ব্যক্তি সংগঠনৰ অধীন।
২) অঞ্চলসমূহ সংগঠনৰ অধীন।
৩) নিম্নস্তৰ কমিটি উচ্চস্তৰ কমিটিৰ অধীন।
৪) সকলো স্তৰৰ কমিটি কেন্দ্ৰীয় কমিটিৰ অধীন।
৫) প্ৰতিগৰাকী সদস্যাৰ সকলো পদলৈ আনক নিৰ্বাচিত কৰাৰ আৰু নিজে নিৰ্বাচিত হোৱাৰ অধিকাৰ আছে।
৬) সংগঠনৰ ভিতৰত আলোচনা আৰু সিদ্ধান্তৰ বাবে মত উত্থাপন কৰাৰ অধিকাৰ আছে।

# ধাৰা 'ছ'

## অনু: (১৫) শৃংখলাৰক্ষী পদক্ষেপ:-

১) সংগঠন বিৰোধী কাৰ্য্যকলাপত লিপ্ত হ'লে যিকোনো সদস্যাৰ বিৰুদ্ধে সংশ্লিষ্ট কমিটিয়ে শৃংখলাৰক্ষী ব্যৱস্থা লব পাৰিব।
২) অনুশাসনমূলক ব্যৱস্থাৰ সন্মুখীন হোৱা সদস্যাই তেওঁৰ আচৰণ ব্যাখ্যা কৰাৰ আৰু আত্মপক্ষ সমৰ্থন কৰাৰ অধিকাৰ থাকিব।
৩) শৃংখলা ভংগৰ বাবে লব পৰা শাস্তিমূলক ব্যৱস্থাবোৰ হৈছে সতৰ্কীকৰণ, নিলম্বিত কৰা আৰু বহিস্কাৰকৰণ।

# ধাৰা 'জ'

## অনু: (১৬) পঞ্জীয়নকৰণ:-

১) নৱগঠিত আঞ্চলিক আৰু জিলা কমিটিসমূহে মিমৌ কৌবাঙৰ পঞ্জীয়নভুক্ত হোৱাৰ বাবে ২০০ (দুশ) টকা পঞ্জীয়ন মাচুল জমা দিব লাগিব।
২) ঠিক তেনেদৰে নৱগঠিত গাঁও কমিটিসমূহে ৫০ (পঞ্চাচ) টকা পঞ্জীয়ন মাচুল জমা দি জিলা কমিটিৰ পঞ্জীয়নভূক্তি হ'ব লাগিব।

# ধাৰা 'ঝ'

## অনু: (১৭) পুঁজি:-

তলত উল্লেখিত ধৰণে সংগঠনৰ পুঁজি গঠন কৰা হ'ব।

১) সাধাৰণ সংগ্ৰহ অভিযান।
২) সদস্যা ভূক্তা/নৱীকৰণ সদস্য মাচুল।
৩) শাখা গোটসমূহৰ বছৰেকীয়া মাচুল- ২০০ (দুশ) টকা।

৪) সংগৃহীত সদস্যাভূক্তা/নৱীকৰণ সদস্যা গাঁও, আঞ্চলিক, জিলা আৰু কেন্দ্ৰীয় কমিটিৰ মাজত ভাগ কৰা হ'ব।
৫) স্ব-ইচ্ছাই আগবঢ়োৱা দান বৰঙণি।
৬) পুঁজি জমা ৰখা, নিয়ন্ত্ৰণ কৰা আৰু হিচাপ পৰীক্ষা কৰা সংশ্লিষ্ট কমিটিয়ে সিদ্ধান্ত গ্ৰহণ কৰিব।

# ধাৰা 'ঞ'

## অনু: (১৮) কমিটি গঠন:-

১) নিৰ্বাচন অনুষ্ঠিত হ'লে কেন্দ্ৰীয় কমিটিকে ধৰি সকলো স্তৰৰ কমিটিয়ে এক সদস্যা এক ভোট নীতিৰ ভিত্তিত নিৰ্বাচন অনুষ্ঠিত কৰিব।
২) সাধাৰণতে বাচনি প্ৰক্ৰিয়াৰ জৰিয়তে কমিটি গঠন কৰা প্ৰক্ৰিয়াক অগ্ৰাধিকাৰ দিয়া হ'ব।

# ধাৰা 'ট'

## অনু: (১৯) সংবিধান সংশোধন:-

১) প্ৰয়োজনবোধ কৰিলে দুই তৃতীয়াংশ সংখ্যাগৰিষ্ঠতাৰ ভিত্তিত সংবিধান সংশোধন কৰিব পাৰিব।
২) নিম্নতৰ শাখাসমূহ সংশোধনৰ প্ৰস্তাৱ দাখিল কৰিব বিচাৰিলে সাধাৰণ অধিৱেশনৰ এমাহ পূৰ্বে কেন্দ্ৰীয় কমিটিক দাখিল কৰিব লাগিব।

এই সংবিধানখন যোৱা ৯, ১০ আৰু ১১ জানুৱাৰীত গোগামুখত অনুষ্ঠিত হোৱা ১ম মিচিং মহিলা অভিৱৰ্তনৰ সৰ্বসম্মতিক্ৰমে গৃহীত হয় আৰু ১৯৯০ চনৰ ১০ জানুৱাৰী তাৰিখৰ পৰা বলৱৎ কৰা হয়। পুনৰ যোৱা ৭, ৮ আৰু ৯ ফেব্ৰুৱাৰী ১৯৯২ তাৰিখে মাজুলীৰ গড়মুৰত অনুষ্ঠিত হোৱা মিমৌ কৌবাঙৰ ১ম অধিৱেশনত সংশোধিত আৰু পৰিৱৰ্তিত কৰা হয়।

# ২য় সাধাৰণ অধিৱেশন

টাকাম মিচিং মিমৌ কৌবাং ২৬, ২৭, ২৮ আৰু ১৯৯৫ চনত ধেমাজিত প্ৰতিনিধি সভাৰ সিদ্ধান্তক্ৰমে তলত উল্লেখিত ধৰণে টাকাম মিচিং মিমৌ কৌবাঙৰ সংবিধানত সংশোধন ও সংযোজন কৰা হয়।

## ধাৰা 'ক'

### অনু: (২) পতাকা ও প্ৰতীক সংশোধন:-

২) বিৱৰণ:- পতাকাৰ ৰং পাতল সেউজীয়া, ওপৰত আধাংশৰ মাজত মিমৌ কৌবাঙৰ প্ৰতীক আৰু তলৰ আধাংশত মিচিং কৃষ্টি সংস্কৃতিক প্ৰতিনিধি কৰাকৈ মিচিং গামিগৰ প্ৰতীক থাকিব।

## ধাৰা 'খ'

### অনু: (৩) লক্ষ্য আৰু উদ্দেশ্য (সংযোজন):-

১৪) মিচিং নাৰীসকলক ৰাজনৈতিকভাৱে সচেতন কৰি গঢ়ি তোলা।

## ধাৰা 'গ'

### অনু: (৬) সংযোজন:-

১) কোষাধ্যক্ষা ১ গৰাকী। হিচাব পৰীক্ষক কমিটি সাধাৰণ সভাৰ প্ৰতিনিধি সভাই প্ৰতিনিধি সকলৰ মাজৰ পৰাই ৩ গৰাকী প্ৰতিনিধিৰে হিচাপ পৰীক্ষক কমিটি গঠন কৰিব।

# ধাৰা 'ঘ'

## অনু: (১১) সংশোধন ও সংযোজন:-

১) সভানেত্ৰীয়ে কমিটিৰ প্ৰধান নেতৃত্ব বহন কৰিব আৰু কমিটিৰ কাৰ্য্যনিৰ্বাহক সভা, প্ৰতিনিধিত্বমূলক সভা আৰু মিমৗ কৌবাঙে আহ্বান কৰা ৰাজহুৱা সভাত সভা নেতৃত্ব কৰিব।
৫) সাংগঠনিক সম্পাদিকালে কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহকে নিৰ্দিষ্ট কৰি দিয়া মতে নিজৰ এলেকাত সাংগঠনিক দায়িত্বসমূহ কাৰ্যকৰী কৰিব।
৭) উপ-সভানেত্ৰী আৰু যুটীয়া সম্পাদিকাসকলে ক্ৰমে সভানেত্ৰী আৰু সাধাৰণ সম্পাদিকাৰ দায়িত্ব পালন কৰিব লগা হ'লে ক্ৰমিক অনুযায়ী সভানেত্ৰীয়ে দায়িত্ব অৰ্পণ কৰিব।

# ধাৰা 'ঙ'

## অনু:-(১৮) কমিটি গঠন:-

৩) কমিটিৰ বিষয়ববীয়া সকলক নিৰ্বাচিত কৰোতে সংগঠনৰ কাম কাজ কৰাৰ অভিজ্ঞতাৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগিব।

## অনু: (১৯) সংবিধান সংশোধন:-

১) যোৱা ইং ৮, ৯ আৰু ১০ জানুৱাৰী ২০১৭ চনত মাজুলী জেংৰাইমুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হোৱা ৯ তম (নৱম) টাকাম মিচিং মিমৗ কৌবাং কেন্দ্ৰীয় সাধাৰণ অধিৱেশনৰ সংবিধান সংশোধনী সিদ্ধান্তমৰ্মে সংবিধানত উল্লেখিত 'ধাৰা 'গ', অনুচ্ছেদ ৬ (ছয়), ক্ৰঃনং ৩' ৰ কেন্দ্ৰীয় সমিতিৰ ২ বছৰীয়া কাৰ্য্যকালৰ পৰিৱৰ্তে ৩ (তিনি) বছৰীয়া কৰা হ'ল।

## অনু: (২০) সংবিধান সংশোধন:-

১) ..........................   ২) ..........................